জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৪৩৬/২০২০

# ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ নৱনিৰ্মিত ৰঙ্গমঞ্চ আনুষ্ঠানিকভাৱে উন্মোচন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## ৰাজ্যখনৰ বৰ্ণিল কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ বাতাৱৰণ শক্তিশালী কৰাৰ দিশত এই ৰঙ্গমঞ্চই বিশেষ ভূমিকা পালন কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ জুনঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ নৱনিৰ্মিত ৰঙ্গমঞ্চখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উল্লেখ্য যে এই ৰঙ্গমঞ্চখন অসম চৰকাৰৰ ২০১৭-১৮ আৰু ২০১৯-২০ বৰ্ষৰ ১.৩০ কোটি টকা আচুতীয়া পুঁজি আৰু সাংসদ স্থানীয় এলেকা পুঁজিৰ ০.২৫ কোটি টকা অৰ্থাৎ সৰ্বমুঠ ১.৫৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা হৈছে।

ক'ভিড-১৯ সৃষ্ট পৰিস্থিতিৰ বাবে অনুষ্টুপীয়াকৈ আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই ৰঙ্গমঞ্চখন কেৱল শিল, মাটি, বালি ইত্যাদি নিৰ্জীৱ পদাৰ্থৰে সৃষ্টি কৰা এক মঞ্চ নহয়, ইয়াৰ জৰিয়তে আমাৰ মাজত থকা মানৱীয় অনুভূতি, ঐক্য-সংহতি, ভাতৃত্ববোধ, সাংস্কৃতিক বৈভৱ ইত্যাদিৰ প্ৰকাশ পাব। এই ৰঙ্গমঞ্চখন অসমৰ চহকী সংস্কৃতি, ঐতিহ্য আৰু আধ্যাত্মিকতাৰ কেন্দ্ৰ হিচাপে পৰিচিত হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ৰঙ্গমঞ্চখনে মানৱীয় মূল্যবোধেৰে সৃষ্টিশীল কামত নিয়োজিত হোৱাৰ দিশত অনুপ্ৰেৰণা যোগাব। এই ৰঙ্গমঞ্চখনে ৰাজ্যখনৰ বৰ্ণিল কলা-সংস্কৃতি, আধ্যাত্মিকতাৰ বাতাৱৰণ শক্তিশালী কৰাৰ দিশতো বিশেষভাৱে অৰিহণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে এই ৰঙ্গমঞ্চখন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবেও আহ্বান জনায় যাতে নৱ প্ৰজন্মই এই ৰঙ্গমঞ্চৰ জৰিয়তে সংস্কৃতি চৰ্চাৰ এক উপযুক্ত পৰিৱেশ লাভ কৰিব পাৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰতি সমগ্ৰ বিশ্ববাসীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে শক্তিশালীভাৱে যুঁজ দি আছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণেও এই যুঁজত চৰকাৰৰ সৈতে ঐক্যবদ্ধভাৱে থিয় দিছে। এই যুঁজত মানৱ জাতিয়ে নিশ্চিতভাৱে বিজয় সাব্যস্ত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে উঠি অহা প্ৰজন্মক ভাল মানুহ হিচাপে গঢ় দিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই প্ৰতিষ্ঠা কৰা আধ্যাত্মিক, সাংস্কৃতিক প্ৰমূল্যবোধক নতুন প্ৰজন্মৰ মাজলৈ লৈ যাব লাগিব। আমাৰ লোক সংস্কৃতিৰ সম্পৰ্কত নতুন প্ৰজন্মক সঠিকভাৱে জ্ঞান প্ৰদান কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ৰঙ্গমঞ্চখনৰ বিভিন্ন প্ৰশিক্ষণৰ মাধ্যমেদি নৱ প্ৰজন্মই আমাৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক

পৰম্পৰাৰ বিষয়ে সবিশেষ জনাৰ সুযোগ প্ৰদান কৰিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে কয় যে এই ৰঙ্গমঞ্চখন অকল এই সত্ৰখনৰে সম্পদ নহয়, ই হ'ল বৰ অসমৰ এক সুকীয়া চানেকি। এই ৰঙ্গমঞ্চখন নিৰ্মাণৰ দিশত মুখ্যমন্ত্ৰী সোণোৱালে লোৱা সক্ৰিয় পদক্ষেপৰ বাবে সত্ৰাধিকাৰগৰাকীয়ে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত বিধায়ক প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দীপুৰঞ্জন মাক্ৰাৰী, অসম সংখ্যালঘু উন্নয়ন বোৰ্ডৰ অধ্যক্ষ মমিনুল আৱাল, দুলীয়াজান-নুমলীগড় পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, অসম গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক শ্ৰীজিৎ টিকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**
**১৯/৬/২০২০**